জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৬০/২০২৩**

# ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শুভ উদ্বোধন কৰা ‘গজ উৎসৱ’ত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## হাতীৰ সুৰক্ষাত ৰাজ্য চৰকাৰে বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ এপ্ৰিল ঃ** ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা ৰেঞ্জত অনুষ্ঠিত এক অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ‘গজ উৎসৱ-২০২৩’ উদ্বোধন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে হাতী ভাৰতীয় সভ্যতা তথা ঐতিহ্যৰ অবিচ্ছেদ্য অংগ। সেইবাবে ইয়াৰ সংৰক্ষণত বিশেষ গুৰুত্ব আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে হাতী সংৰক্ষণৰ বাবে ধাৰাবাহিকভাৱে প্ৰয়াস চলাই আহিছে। গজ উৎসৱ-২০২৩ উদ্বোধন কৰি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে চৰকাৰৰ এই প্ৰচেষ্টাক অধিক ফলপ্ৰসূভাৱে আগুৱাই নিয়াৰ দিশত দিয়া অগ্ৰাধিকাৰৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ সভ্যতা আৰু সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্কৰে বান্ধ খাই থকা তথা জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ হস্তীৰ সুৰক্ষাত ৰাজ্য চৰকাৰে বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। তেওঁ কয় যে ৰাজ্যখনত ৫ খন হাতী ৰিজাৰ্ভৰ লগতে হস্তী বিচৰণস্থলী সামৰি ৯টা হাতী ৰেঞ্জ আছে। তেওঁ কয় যে বিভিন্ন অঞ্চলৰ হাতীৰ বাসস্থানৰ মাজত পুনৰ সংযোগ স্থাপন কৰিবলৈ ৰাজ্য চৰকাৰে ১২টা হাতী ক’ৰিডৰ চিনাক্ত কৰি পুনৰ নিৰ্ধাৰণ কৰিছে। হাতী চলাচল কৰা সকলো পথ সুৰক্ষিত কৰাৰ বাবে আৰু ভূমি ব্যৱহাৰৰ পৰিৱৰ্তন বন্ধ কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ নিৰ্দেশমৰ্মে ৰে’লৱে বিভাগে ৰঙিয়া ৰে’লৱে সংমণ্ডলৰ অন্তৰ্গত গুৱাহাটীৰ ওচৰৰ আজাৰা-কামাখ্যা ৰে’লপথৰ দুয়োকাষে ৰাণী সংৰক্ষিত বনাঞ্চল আৰু দীপৰ বিল অভয়াৰণ্যৰ সৈতে সংযোগ কৰা ৬ টা হাতী কৰিড’ৰ ৰেম্প নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে। তেওঁ কয় যে অসম চৰকাৰে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক কাৰ্বি আংলং বনাঞ্চলৰ সৈতে সংযোগ কৰা ৯টা এনিমেল কৰিড’ৰৰ মাজেৰে বনৰীয়া জন্তুবোৰৰ মুক্ত আৰু নিৰাপদ চলাচলৰ বাবে আমগুৰিৰ পৰা আৰম্ভ কৰি কাজিৰঙাৰ সমীপৰ পানবাৰীলৈ ৩৪.৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাজিৰঙা এলিভেটেড কৰিড’ৰ প্ৰকল্পৰ পদক্ষেপ লোৱা হৈছে। এই প্ৰকল্পৰ ব্যয় ৭৭২৬.৫১ কোটি টকা ধাৰ্য কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে হাতীৰ লগত মানুহৰ সম্পৰ্ক আমাৰ পুৰাতন সভ্যতা-সংস্কৃতিৰ অভিন্ন অংগ। ৰামায়ণৰ সময়ৰ পৰাই হাতী-মানুহৰ সম্বন্ধৰ বিষয়ে লিপিবদ্ধ হৈছে। অসমৰ জনজীৱনত অনাদিকালৰে পৰা হাতী এক অবিচ্ছেদ্য অংগৰূপে পৰিগণিত হৈ আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে হাতী আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ চহকী ঐতিহ্য হিচাপে চিহ্নিত হৈ আহিছে। তেওঁ কয় যে আহোম

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা এখন অমৰ গ্ৰন্থ হৈছে ‘হস্তীবিদ্যাৰ্ণৱ’। ‘হস্তীবিদ্যাৰ্ণৱ’ কেৱল হাতী সম্পৰ্কীয় এখন অমূল্য গ্ৰন্থই নহয়, হাতীৰ বিভিন্ন শ্ৰেণী, ইয়াৰ প্ৰশিক্ষণ আৰু যত্নৰ ধৰণ, ইয়াৰ ৰোগ আৰু চিকিৎসা, আনকি ইয়াৰ থকা ঠাই নিৰ্মাণ আৰু ৰচী প্ৰস্তুতৰ  কৰণৰ বিষয়েও বহুতো তথ্য ইয়াত সন্নিৱিষ্ট কৰা হৈছে। গ্ৰন্থখনত বহুৰঙী চিত্ৰ থকাটো গুৰুত্বপূৰ্ণ দিশ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চিত্ৰসমূহে নিঃসন্দেহে ভাৰতীয় চিত্ৰকলাৰ মূল সুঁতিৰ সৈতে থলুৱা শৈলীৰ মিশ্ৰণেৰে প্ৰাচীন অসমত উদ্ভৱ হোৱা চিত্ৰকলাৰ এক অতি উন্নত কৌশলৰ দিশটোকে আঙুলিয়াই দিয়ে। তেওঁ কয় যে প্ৰাক্-আহোম যুগৰ পৰা আৰম্ভ কৰি ছশ বছৰীয়া আহোম শাসনৰ দীঘলীয়া সময়ছোৱাত সামৰিক বাহিনীতো হাতীয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল।

মুখ্যমন্ত্ৰীয়ে কয় যে মানুহৰ প্ৰতি থকা হাতীৰ আনুগত্য আৰু ভালপোৱা কিমান অতুলনীয় সেই কথা কলা-সাহিত্যৰ মাজতো সুন্দৰকৈ প্ৰকাশিত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া কথাছবিত হাতী-মানুহৰ সম্পৰ্কৰ জীৱন্ত ছবি তুলি ধৰা হৈছে। অসমৰ সাহিত্য ক্ষেত্ৰৰ প্ৰাতঃস্মৰণীয় ব্যক্তি সাহিত্যিক হোমেন বৰগোহাঞিয়ে তেওঁৰ ‘বাপধন’ নামৰ হাতী বিষয়ক গল্পটোৰ জৰিয়তে হাতীৰ প্ৰতি থকা মানুহৰ মৰমৰ কথা সুন্দৰকৈ প্ৰকাশ কৰি গৈছে বুলিও তেওঁ কয়। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়কেইখন ৰাজ্যতেই হাতীৰ বাবে উপযুক্ত বাসস্থান হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ ৰাজ্যৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মানাহ ৰাষ্ট্ৰীয় উদ্যান, শোণিতপুৰ জিলাৰ সোণাই-ৰূপাই বনাঞ্চল, নামেৰি ৰাষ্ট্ৰীয় উদ্যান, বুঢ়া চাপৰি বনাঞ্চল, তিনিচুকীয়া জিলাৰ ডিব্ৰু-চৈখোৱা, জয়দিহিং অৰণ্য, ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু নগাঁৱৰ লাওখোৱা অৰণ্য হাতীৰ প্ৰধান বিচৰণ ভূমি। আমাৰ দেশৰ হাতীৰ বাসস্থান সুৰক্ষিত কৰিবলৈ হাতীপ্ৰধান অৰণ্য চিহ্নিত কৰি ইয়াক হস্তী প্ৰকল্প হিচাপে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছিল বুলিও তেওঁ কয়।

হাতীৰ বাসস্থানৰ অৱক্ষয়ে হাতী-মানুহৰ মুখ্য কাৰণ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সংৰক্ষিত বনাঞ্চল, ৰাষ্ট্ৰীয় উদ্যান আৰু বন্যপ্ৰাণী অভয়াৰণ্যৰ বেদখল কৰা অঞ্চলত ৰাজ্য চৰকাৰে উচ্ছেদ অভিযান আৰম্ভ কৰিছে। যোৱা কেইমাহমানৰ ভিতৰত ৰাজ্যৰ বন বিভাগে দুখন সংৰক্ষিত বনাঞ্চল আৰু এখন বন্যপ্ৰাণী অভয়াৰণ্য ক্ৰমে লামডিং সংৰক্ষিত বনাঞ্চল, পাভ সংৰক্ষিত বনাঞ্চল আৰু বুঢ়াচাপৰি অভয়াৰণ্যত উচ্ছেদ চলাই প্ৰায় ৫,২৯৯ হেক্টৰ মাটি বেদখলকাৰীৰ পৰা মুক্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে হাতী-মানুহৰ সংঘাতৰ বলি হোৱা লোকসকলক তাৎক্ষণিকভাৱে এককালীন সাহায্য আৰু ক্ষতিপূৰণৰ ধন মুকলি কৰি দিয়া হৈছে বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দৰ যাদৱ, কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী অশ্বিনী কুমাৰ চৌবে, পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, বিত্তমন্ত্ৰী অজন্তা নেওগ, ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া তথা হাতীপ্ৰেমী ৰাইজ উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**০৭/৪/২০২৩**